**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমত জনসংখ্যা শিক্ষাৰ বিষয়বোৰ অতি সহজে অন্তৰ্ভুক্ত কৰিব পাৰি। ই সহজ কাৰণ প্ৰাথমিক শিক্ষাৰ একেটা শ্ৰেণীত পাঠ্যক্ৰমৰ ভিন্নমুখিতা নাথাকে। আকৌ প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰমত অত্যাধিক বিষয়ৰ হেঁচা নাই বাবেও অন্তৰ্ভুক্ত কৰাটো সহজ।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** পৰিয়াল জীৱনৰ কেতবোৰ বিষয় হ'ল—

- পৰিয়াল জীৱনত পিতৃ-মাতৃৰ ভূমিকা।
- জনসংখ্যা বৃদ্ধি আৰু বিবাহ।
- জনসংখ্যা বৃদ্ধি আৰু পুনৰ বিবাহ।
- জনসংখ্যা বৃদ্ধি আৰু সাৰ্বজনীন বিবাহ।
- জনসংখ্যা বৃদ্ধি আৰু ভুল ধাৰণা 'শিশু ভগৱানৰ দান' ৰ সম্বন্ধ।
- জনসংখ্যা বৃদ্ধিয়ে সৃষ্টি কৰা পৰিয়ালৰ দুশ্চিন্তা।
- জনসংখ্যা বৃদ্ধিৰ বাবে হোৱা প্ৰেম, যত্ন আৰু ভালপোৱাৰ অভাৱ।
- জনসংখ্যা বৃদ্ধি আৰু জীৱন ধাৰণৰ নিম্ন মানদণ্ড।
- পৰিয়ালৰ লিংগ সমতা আৰু 'ছোৱালীও ল'ৰাৰ সমানে গুৰুত্বপূৰ্ণ' ধাৰণাৰ অনুসৰণ।
- উন্নত গুণগত জীৱনৰ বাবে সৰু পৰিয়ালৰ আদৰ্শ।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** প্ৰাথমিক পৰ্যায়ৰ পাঠ্যক্ৰমত জনসংখ্যা শিক্ষা অন্তৰ্ভুক্তিৰ দুটা সমস্যা হ'ল—

(i) এই স্তৰত জনসংখ্যা শিক্ষাৰ বহুতো ধাৰণাৰ অন্তৰ্ভুক্তিকৰণত জটিলতাই দেখা দিয়ে।

(ii) এই স্তৰত ছাত্ৰ-ছাত্ৰীৰ বয়স আৰু কম বুদ্ধিৰ বাবে জনসংখ্যা শিক্ষাৰ ধাৰণাবোৰ অধিক সৰলীকৰণৰ দ্বাৰা বাধাপ্ৰাপ্ত হয়।

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ** মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমত জনসংখ্যা শিক্ষা অন্তৰ্ভুক্তিকৰণৰ বেলিকা টি এচ মেহতা আৰু বি এচ পৰখে মত প্ৰকাশ কৰিছিল যে ভূগোল, পৌৰবিজ্ঞান, সমাজ অধ্যয়ন, সাধাৰণ বিজ্ঞান, জীৱ বিজ্ঞান আদি বিষয়ৰ যোগেদি জনসংখ্যা শিক্ষা প্ৰদান কৰিব লাগে। জনসংখ্যা শিক্ষাৰ বিধিপুথি প্ৰস্তুত কৰিব লাগে। জনসংখ্যা গতিশীলতা আৰু সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক প্ৰতিধ্বনি হোৱাকৈ বিশেষ শিকণীয় গোট বিধিপুথিত ৰাখিব লাগে। গ্ৰাফিক্সবোৰ ব্যৱহাৰ কৰিব লাগে। দশম, একাদশ, দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক জনসংখ্যা বিষয়ক চিনেমাও দেখুৱাব লাগে। মাধ্যমিক স্তৰৰ ছাত্ৰ-ছাত্ৰীয়ে এইবোৰ বুজি পায়।

**৭ নং প্ৰশ্নৰ উত্তৰ ঃ** মাধ্যমিক স্তৰৰ শিক্ষাৰ জনসংখ্যা শিক্ষাৰ দুটা উদ্দেশ্য হ'ল—

(১) দেশ আৰু বিশ্বৰ জনসংখ্যা পৰিস্থিতিৰ বোধজ্ঞান বিকশাই তোলা।

(২) দ্ৰুত জনসংখ্যা বৃদ্ধি আৰু তলত দিয়াবোৰৰ বোধজ্ঞান বিকশাই তোলা—

(i) প্ৰাকৃতিক সম্পদবোৰ